জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩৬/২০২১

**মহিন্দ্ৰ এণ্ড মহিন্দ্ৰ লিমিটেডে আগবঢ়োৱা এম্বুলেঞ্চ আৰু অক্সিজেন কনচেনট্ৰেটৰ জনগণৰ সেৱাত উৎসৰ্গা কৰিলে মুখ্যমন্ত্ৰীয়ে**

# চলিত মাহত এতিয়ালৈকে ৬১ লাখ লোকক ভেকচিন প্ৰদান কৰা হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত মহিন্দ্ৰ এণ্ড মহিন্দ্ৰ লিমিটেডে কোম্পানীসমূহৰ সামাজিক দায়বদ্ধতা (চি এছ আৰ) নীতিৰ আধাৰত আগবঢ়োৱা ১৫ খন এম্বুলেঞ্চ আৰু অক্সিজেন কনচেনট্ৰেটৰ জনগণৰ সেৱাৰ বাবে আনুষ্ঠানিকভাৱে উৎসৰ্গা কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপৰ বাবেই শেহতীয়াকৈ দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা ৫০০ৰ তললৈ হ্ৰাস পাইছে। এয়া নিঃসন্দেহে আশাৰ বতৰা। তেওঁ কয় যে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী মনসুখ এল মাণ্ডাভিয়াৰ শেহতীয়া অসম ভ্ৰমণৰ পিছতে ৰাজ্যখনে পৰ্যাপ্ত পৰিমাণৰ ক'ভিড প্ৰতিষেধক লাভ কৰিবলৈ সক্ষম হৈছে। চলিত মাহতে বৰ্তমানলৈকে ৬১ লাখ লোকক প্ৰতিষেধক প্ৰদান কৰা হৈছে আৰু এই মাহটো অন্ত পৰালৈকে প্ৰতিষেধক লাভ কৰা লোকৰ সংখ্যা এমাহতে ৭০ লাখ অতিক্ৰম কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। এই ধাৰা অব্যাহত ৰাখি আগন্তুক মাহতো ৫০ লাখ লোকক ক'ভিড ভেকচিন প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা আৰু ৰাজ্যৰ স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ নিষ্ঠাপূৰ্ণ সেৱাৰ বাবেই এয়া সম্ভৱ হৈ উঠিছে। ৰাজ্যখনৰ বহুসংখ্যক লোকে প্ৰথম পালি ভেকচিন লোৱাৰ পিছত দ্বিতীয় পালি ভেকচিন লোৱা নাই বুলি উল্লেখ কৰি ড° শৰ্মাই ক'ভিড মহামাৰীৰ পৰা সুৰক্ষাৰ স্বাৰ্থত এইসকল লোকক দ্বিতীয় পালি ভেকচিন লোৱাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিডৰ দ্বিতীয়টো ঢৌৰ সময়ছোৱাত ৰাজ্যখনৰ প্ৰায় ৪৫ হাজাৰ লোকে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বৰঙণি আগবঢ়াইছে। ক'ভিডৰ প্ৰথমটো ঢৌৰ সময়তো প্ৰায় সমসংখ্যক লোকে এইদৰে বৰঙণি আগবঢ়াইছিল। মহামাৰীৰ এই প্ৰতিকূল সময়ছোৱাত ৰাজ্যখনৰ জনসাধাৰণৰ মানৱীয় চৰিত্ৰ আৰু সহানুভূতিৰ পূৰ্ণ প্ৰতিফলন ঘটা বুলিও তেওঁ মন্তব্য কৰে। মহামাৰীৰ প্ৰেক্ষাপটত আৰোপ কৰা বাধা-নিষেধসমূহ আগন্তুক ছেপ্টেম্বৰ মাহৰ প্ৰথম সপ্তাহত বহু পৰিমাণে শিথিল কৰি দিয়াৰ পৰিকল্পনা লোৱা হৈছে বুলি সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বাধা-নিষেধসমূহ শিথিল হোৱাৰ পিছতো জনসাধাৰণক ক'ভিডৰ নীতি-নিয়মসমূহ মানি চলিবলৈ আহ্বান জনায়।

ৰাজ্যখনৰ জনসাধাৰণৰ স্বাস্থ্য সেৱাৰ বাবে মহিন্দ্ৰ এণ্ড মহিন্দ্ৰ লিমিটেডে এম্বুলেঞ্চ আৰু অক্সিজেন কনচেনট্ৰেটৰ আগবঢ়োৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিষ্ঠানটোৰ সৈতে অসমৰ এক সু-সম্পৰ্ক আছে। তেওঁ কয় যে প্ৰতিষ্ঠানটোৱে আগবঢ়োৱা এই চিকিৎসা উপকৰণসমূহে ক'ভিড পৰিস্থিতিৰ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

সময়ত জনসাধাৰণৰ চিকিৎসাৰ সহায়ক হোৱাৰ উপৰি পৰৱৰ্তী পৰ্যায়ত ইয়ে ৰাজ্যখনৰ চিকিৎসা ক্ষেত্ৰখনত উপযোগী হৈ থাকিব। ৰাজ্যখনৰ কৃষি ক্ষেত্ৰৰ উত্তৰণৰ বাবেও কোম্পানীটোৱে সহযোগিতাৰ হাত আগবঢ়াই আহিছে বুলিও তেওঁ কয়।

স্বাস্থ্য বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিঙে আদৰণি ভাষণ দিয়া আজিৰ এই অনুষ্ঠানত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা বিধায়ক জয়ন্তমল্ল বৰুৱা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অভিযান সঞ্চালক ড° এছ লক্ষ্মণন, মহিন্দ্ৰ এণ্ড মহিন্দ্ৰ লিমিটেডৰ জ্যেষ্ঠ প্ৰৱন্ধক নৱজিৎ শৰ্মা, আঞ্চলিক প্ৰৱন্ধক সুব্ৰত দত্ত প্ৰমুখ্যে গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ**
**২৮/০৮/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in